**নিয়মানুসৰণৰ বাবে জাননী**

**অসম ৰাজ্যিক জৈৱবৈচিত্র্য পৰিষদ: গুৱাহাটী**

১. ইয়াৰ দ্বাৰাই সংশ্লিষ্ট সকলো পক্ষকে জনোৱা যায় যে, জৈৱ-বৈচিত্র্য আইন, ২০০২ৰ ৭ নং অনুচ্ছেদৰ অধীনত, "কোনো ভাৰতীয় নাগৰিক অথবা ভাৰতত পঞ্জীভুক্ত কৰা কোনো কৰ্পৰেট সংস্থা, সংগঠন অথবা প্ৰতিষ্ঠানে ৰাজ্যিক জৈৱবৈচিত্র্য পৰিষদক আগতীয়াকৈ অৱগত নকৰাকৈ ব্যৱসায়িক ব্যৱহাৰ, অথবা ব্যৱসায়িক উদ্দেশ্যত কৰা জৈৱ-জৰীপ আৰু জৈৱ-প্ৰয়োগৰ বাবে কোনো জৈৱ-সম্পদৰ আহৰণ কৰিব নোৱাৰিব: অৱশ্যে এই অনুসূচীৰ চৰ্তাৱলী উক্ত অঞ্চলৰ উদ্যানবিদ আৰু কৃষকসকল, পৰম্পৰাগত চিকিৎসা চলাই অহা বেজ আৰু ওজা-কবিৰাজকে ধৰি স্থানীয় লোক আৰু ৰাইজৰ ক্ষেত্ৰত প্ৰযোজ্য নহব।"

২. জৈৱ-বৈচিত্র্য আইন, ২০০২ৰ ৭ আৰু ২৪ নং অনুচ্ছেদ তথা একত্রে অসম জৈৱবৈচিত্র্য অধিনিয়ম, ২০১০ৰ ১৮.১ নং ধাৰা অনুসৰি, এনে পূৰ্ব যোগাযোগ প্ৰক্ৰিয়া 'আহৰণ আৰু লাভৰ সমবিতৰণ' বিষয়ক www.asbb.projectassam.in শীৰ্ষক অনলাইন পৰ্টেলৰ যোগেদি নিৰ্দিষ্ট প্ৰপত্ৰত ১০০০টকা মাচুল সহ সম্পন্ন কৰিব লাগিব (অথবা) নিৰ্দিষ্ট অনুমোদিত প্ৰপত্ৰ (আৰ্হি-১ আৰু প্ৰপত্ৰ-ক) গুৱাহাটীত আদায় কৰিব পৰাকৈ 'অসম ৰাজ্যিক জৈৱবৈচিত্র্য পৰিষদ'ৰ নামত যিকোনো ৰাষ্ট্ৰীয়কৃত বেংকৰ ১০০০ টকাৰ ডিমাণ্ড ড্ৰাফ্ট সহ পূৰ্ণ কৰি জমা দিব লাগিব। এনে সম্পূৰ্ণকৈ পূৰোৱা প্ৰপত্ৰৰ প্ৰতিলিপি **(আৰ্হি-১ আৰু প্ৰপত্ৰ-ক)** প্ৰয়োজনীয় নথিসহ 'সদস্য সচিৱ, অসম ৰাজ্যিক জৈৱবৈচিত্র্য পৰিষদ. অৰণ্য ভৱন, দ্বিতীয় মহলা, পাঞ্জাবাৰী, গুৱাহাটী-৭৮১০৩৭ – এই ঠিকনাত ডাকযোগে বা পোনপটীয়াকৈ জমা দিব লাগিব। সংশ্লিষ্ট নথিসহ খামটি ভালকৈ চীল কৰি, আবেদনকাৰীৰ সম্পুৰ্ণ ডাক-ঠিকনা ভালদৰে লিখি ওপৰত 'ব্যৱসায়িক প্ৰয়োগৰ বাবে জৈৱ-সম্পদৰ আহৰণৰ অনুমতি বিচাৰি আবেদন' বুলি লিখি দিব লাগিব।

৩. জৈৱ-বৈচিত্র্য আইন, ২০০২ৰ ২৪ নং অনুচ্ছেদ তথা একত্রে অসম জৈৱবৈচিত্র্য অধিনিয়ম, ২০১০ৰ ১৮.২ নং বিধি অনুসৰি, এনে আবেদন লাভ কৰাৰ পাছত, অসম ৰাজ্যিক জৈৱবৈচিত্র্য পৰিষদে সংশ্লিষ্ট স্থানৰ স্থানীয় নিকায়ৰ লগত হোৱা আলোচনা মৰ্মে আৰু উপযুক্ত ধৰণেৰে অনুসন্ধান কৰাৰ পাছত, এনেকুৱা যিকোনো কামত বাধা আৰোপ কৰিব পাৰিব, যদিহে পৰিষদে ভাৱে যে সংশ্লিষ্ট কাৰ্য্যটি জৈৱবৈচিত্র্যৰ সংৰক্ষণ আৰু বহনক্ষম ব্যৱহাৰৰ উদ্দেশ্য অথবা এনে কাৰ্য্যৰ পৰা হোৱা লাভৰ সুষম বিতৰণৰ পৰিপন্থী। এনে ক্ষেত্ৰত প্ৰভাৱিত হ'বলগীয়া ব্যক্তিজনক নিজৰ বক্তব্য উপস্থাপনৰ যথোপযুক্ত সুবিধা নিদিয়াকৈ কোনো বাধা/নিষেধৰ আদেশ দিয়া নহ'ব।

৪. **"আহৰণ আৰু লাভৰ সমবিতৰণ'** (Access & Benefit Sharing-ABS) ৰ পৰিমাণটি ৰাষ্ট্ৰীয় জৈৱবৈচিত্র্য কৰ্তৃপক্ষ/ভাৰত চৰকাৰে ২১.১১.২০১৪ তাৰিখে ঘোষণা কৰা **'জৈৱ সম্পদৰ আহৰণ আৰু সংযুক্ত জ্ঞান তথা লাভৰ সমবিতৰণ বিষয়ক নিয়মাৱলী, ২০১৪'** নামৰ আহৰণ আৰু লাভৰ সমবিতৰণৰ বিধি/নিৰ্দেশাৱলী ২০১৪ অনুসৰি হিচাপ কৰা হয়। (এই নিয়মাৱলী ৰাষ্ট্ৰীয় জৈৱ-বৈচিত্র্য কৰ্তৃপক্ষৰ দ্বাৰা জৈৱ-বৈচিত্র্য আইনৰ ২১.৪ নং অনুচ্ছেদৰ অধীনত লাভ কৰা ক্ষমতাৰ প্ৰয়োগ সাপেক্ষে জাৰী কৰা হৈছে।)

৫. ব্যৱসায়িক প্ৰয়োগৰ বাবে অথবা জৈৱ-জৰীপ আৰু ব্যৱসায়িক প্ৰয়োগৰৰ বাবে কৰা জৈৱ-ব্যৱহাৰৰ বাবে জৈৱ-সম্পদ আহৰণৰ ক্ষেত্ৰত লাভৰ বিতৰণৰ পদ্ধতিসমূহ 'জৈৱ-সম্পদৰ আহৰণ আৰু সংযুক্ত জ্ঞান তথা লাভৰ সমবিতৰন বিষয়ক নিয়মাৱলী, ২০১৪'ৰ ৩ নং বিধি অনুসৰিহে হ'ব আৰু এই পদ্ধতিৰ বিষয়ে বিশদভাৱে অসমত

জৈৱ-সম্পদৰ বাণিজ্যিক ব্যৱহাৰ কৰোঁতাসকলে অৱলম্বন কৰিবলগীয়া 'নিৰ্দিষ্ট কাৰ্য্যচালনা পদ্ধতি' অথবা 'ষ্টেণ্ডাৰ্ড অপাৰেটিং প্ৰচিদিউৰ'ত ভালকৈ উল্লেখ কৰা হৈছে।

৬. 'জৈৱ-সম্পদৰ' ব্যৱসায়িক ব্যৱহাৰকৰ্তাসকলৰ বাবে প্ৰযোজ্য আহৰণ আৰু লাভৰ সমবিতৰণৰ 'ষ্টেণ্ডাৰ্ড অপাৰেটিং প্ৰচিডিউৰ' www.asbb.gov.in ত ডাউনলোড কৰিবৰ বাবে উপলব্ধ। (Whats new অংশত)

**ৰেহাই:** সাধাৰণতে ব্যৱহাৰ্য্য পণ্য হিচাপে বেচা-কিনা কৰা জৈৱ-সম্পদৰ ক্ষেত্ৰত (www.asbb.gov.in চাওক, Activities নামৰ ভাগটো খোলক, তাৰ পাছত – Access & Benefit sharing অংশ)

আবাসিক হওক বা অন্য ৰাজ্যৰ পৰা আহিয়েই হওক অসমত কাৰ্য্য চলাই থকা সংশ্লিষ্ট পক্ষক (বেপাৰী/ফাৰ্ম/কোম্পানী/উদ্যোগ/সংস্থা আদি) ব্যৱসায়িক প্ৰয়োগৰ বাবে জৈৱ সম্পদ আহৰণৰ ক্ষেত্ৰত ওপৰৰ ২ নং দফা অনুসৰি 'অগ্ৰিম অৱগতকৰণৰ'ৰ জৰিয়তে অনুমোদন বিচাৰিবলৈ ইয়াৰ দ্বাৰাই জনোৱা হ'ল। সংশ্লিষ্ট পক্ষই আহৰণ কৰিবলগীয়া সকলো জৈৱসম্পদৰ বিশদ বিৱৰণ সুস্পষ্ট ৰূপত **ABS পৰ্টেলত** থকা অনলাইন প্ৰপত্ৰ (অথবা) অফলাইন পদ্ধতিৰে দাখিল কৰা আবেদনৰ ক্ষেত্ৰত **প্ৰপত্ৰ-ক** ত দাখিল কৰিব লাগিব। ব্যৱসায়িক উদ্দেশ্যত আহৰণ কৰা অথবা সংগ্ৰহ কৰা জৈৱ সম্পদৰ তথ্যতালিকা বাৰ্ষিকভাৱে বা প্ৰয়োজনসাপেক্ষে অনুমতিৰ নৱীকৰণ কৰাৰ সময়ত জমা দিব লাগিব।

সেয়েহে, অসমৰ সীমাৰ ভিতৰত জৈৱসম্পদ আহৰণৰ ক্ষেত্ৰত জড়িত সকলো পক্ষকে ইয়াৰ জৰিয়তে এই জাননী জাৰি হোৱাৰ তিনিমাহৰ ভিতৰত উপৰোক্ত আইনী ব্যৱস্থাসমূহ কঠোৰভাৱে অনুসৰণ কৰিবলৈ নিৰ্দেশ দিয়া হ'ল। যিসমূহ পক্ষই এই জাননী অনুসৰণ কৰাত বিফল হয়, তেওঁলোকৰ বিৰুদ্ধে জৈৱ-বৈচিত্ৰ্য আইন, ২০০২ৰ ৫৫, ৫৬ আৰু ৫৭ নং অনুচ্ছেদ অনুসৰি আৰু অসম জৈৱবৈচিত্ৰ্য বিধি, ২০১০ৰ অধীনত বিহিত আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

23/06/2021

সদস্য সচিৱ

গুৱাহাটী

অসম ৰাজ্যিক জৈৱবৈচিত্ৰ্য পৰিষদ